# গৌহাটী উচ্চ ন্যায়ালয়

(ন্যায়াধীশ চি. এচ. নায়ুডু আৰু ন্যায়াধীশ এচ. কে. দত্তৰ বিচাৰপীঠত)

চৰকাৰ ..... আপীলকাৰী;

- বনাম -

মহম্মদ মিছিৰ আলী আৰু অন্যান্য .... উত্তৰদাতাসকল।

চৰকাৰী ফৌজদাৰী আপীল সংখ্যা ১১, ১৯৬২ চন, মহকুমা দণ্ডাধীশ, নগাঁৱৰ আদেশৰ বিপক্ষে

ৰায় প্ৰদানৰ তাৰিখ: ২৮ ডিছেম্বৰ, ১৯৬১ আৰু ১ ফেব্ৰুৱাৰী, ১৯৬৩

.................................................
...........................

পৃষ্ঠা ২৫৬

ন্যায়ালয়ৰ ৰায়দান প্ৰদান কৰিছে -

**ন্যায়াধীশ চি. এচ. নায়ুডু-এঃ-** চৰকাৰৰ এই আপীল মহকুমা দণ্ডাধীশ, নগাঁৱৰ দোষমুক্তিৰ আদেশৰ বিৰুদ্ধে যাৰ জৰিয়তে তেওঁৰ আদালতত দণ্ড বিধি, ১৮৬০-ৰ ৩২৬, ১৪৮, আৰু ৩২৬/১৪৯ নং ধাৰাৰ অধীনত আচামী উত্তৰদাতাসকলক তেওঁ দোষমুক্ত বুলি ঘোষণা কৰিছিল।

**২)** অভিযোজন পক্ষৰ মোকৰ্দমাটো হৈছে অভিযোজন পক্ষৰ ১ নং সাক্ষী হিচাপে সাক্ষ্য প্ৰদান কৰা ফজৰ আলী, অভিযোজন পক্ষৰ ২ নং সাক্ষী হিচাপে সাক্ষ্য প্ৰদান কৰা আব্দুল চুভান আৰু অভিযোজন পক্ষৰ ৩ নং সাক্ষী হিচাপে সাক্ষ্য প্ৰদান কৰা বাছিৰ শ্বেইখে ১০ অক্টোবৰ, ১৯৫৯-ৰ

সন্ধিয়া ৮ মান বজাত চেনিমাৰিৰ গাঁৱৰ ৰাস্তাত থাকোতে এই আপীলত উত্তৰদাতা হিচাপে চিহ্নিত আঠজন আচামীৰ আটাইকেইজনে আৰু আন কেইজনমানে তেওঁলোকক লাঠি, দা, আৰু যাঠীৰে আক্ৰমণ কৰে আৰু গুৰুতৰভাৱে আঘাত কৰে। অভিযোজন পক্ষৰ তিনিওজন সাক্ষীয়েই বাগৰি পৰে আৰু ঘটনা সন্দৰ্ভত তেওঁলোকৰ চিঞৰ-বাখৰ আৰু শব্দ শুনি ওচৰতে বাস কৰা অভিযোজন পক্ষৰ ৪ নং সাক্ষী মছলেম মুন্সীয়ে ঘটনাস্থলীত উপস্থিত হৈ ১-ৰ পৰা ৩-লৈ অভিযোজন পক্ষৰ তিনিওজন সাক্ষীকেই ৰক্তাক্ত আঘাতৰ সৈতে পৰি থকা দেখা পায় আৰু ১, ২, ৩, ৪, ৬ আৰু ৭ নং আচামী উত্তৰদাতাসকলক লাঠি, দা, আৰু যাঠীৰে সৈতে ঘটনাস্থলীৰ পৰা আঁতৰি গৈ থকাও প্ৰত্যক্ষ কৰে। ইয়াৰ পাছত অভিযোজন পক্ষৰ ৪ নং সাক্ষী মছলেম মুন্সীয়ে অন্য লোকৰ সহায়ত আঘাতপ্ৰাপ্ত ব্যক্তিসকলক জাগীৰোড চিকিৎসায়ললৈ লৈ যায়, য'ত তেওঁলোকক আঘাতৰ চিকিৎসা প্ৰদান কৰা হয়। পৰৱৰ্তী দিনা, অৰ্থাৎ ১১-৮-১৯৫৯ তাৰিখে, ৰাতিপুৱা ৮.৩০ বজাত অভিযোজন পক্ষৰ ১ নং সাক্ষীয়ে প্ৰায় ১৩ মাইলমান দূৰত অৱস্থিত মৰিগাঁও থানালৈ যায় আৰু আৰক্ষীক এখন এজাহাৰ দাখিল কৰে। এজাহাৰত অভিযোজন পক্ষৰ ১ নং সাক্ষীয়ে আটাইকেইজন উত্তৰদাতাকেই আচামী ব্যক্তি হিচাপে দেখুৱাইছিল আৰু ইয়াৰ উপৰিও তফিউদ্দিন আৰু অন্য ব্যক্তিসকলকো দেখুওৱা হৈছিল যিসকলৰ নামসমূহ তেওঁ এজাহাৰত উল্লেখ কৰা নাছিল। ইয়াৰ পাছত আৰক্ষীয়ে তদন্ত কৰে আৰু তিনিওগৰাকী অভিযোজন পক্ষৰ সাক্ষীক স্বাস্থ্য পৰীক্ষাৰ বাবে অভিযোজন পক্ষৰ ৫ নং সাক্ষী হিচাপে মোকৰ্দমাটোত সাক্ষ্য প্ৰদান কৰা স্বাস্থ্য বিষয়াগৰাকীৰ ওচৰলৈ পঠিওৱা হয়। স্বাস্থ্য বিষয়াগৰাকীয়ে অভিযোজন পক্ষৰ ১ নং সাক্ষী ফজ আলীৰ শৰীৰত দুটা

কটা আঘাত প্ৰত্যক্ষ কৰে যিবোৰ তেওঁৰ মত অনুসৰি কোনো ভোটা অস্ত্ৰৰ দ্বাৰা কৰা হৈছিল। অভিযোজন পক্ষৰ ২ নং সাক্ষী মহম্মদ আব্দুল চুভানৰ শৰীৰত তেওঁ তিনিটা ছিদ্ৰযুক্ত আঘাত আৰু এটা ৰৈখিক কটা আঘাত প্ৰত্যক্ষ কৰিছিল। স্বাস্থ্য বিষয়াগৰাকীৰ মত অনুসৰি অভিযোজন পক্ষৰ ২ নং সাক্ষী মহম্মদ আব্দুল চুভানৰ শৰীৰৰ তিনিটা ছিদ্ৰযুক্ত আঘাতৰ ভিতৰৰ দুটা গুৰুতৰ প্ৰকৃতিৰ আছিল। স্বাস্থ্য বিষয়াগৰাকীৰ মতে ছিদ্ৰযুক্ত আঘাতসমূহ নিশ্চিতভাৱে এটা চোকা আৰু জোঙা অস্ত্ৰেৰে কৰা হৈছিল আৰু তেওঁ কৈছিল যে কটা জখমসমূহ হয়তো ভোটা অস্ত্ৰেৰে কৰা হৈছিল। অভিযোজন পক্ষৰ ৫ নং সাক্ষী স্বাস্থ্য বিষয়াগৰাকীয়ে অভিযোজন পক্ষৰ ২ নং সাক্ষী বাছিৰ শ্বেইখৰ শৰীৰত এটা চোকা, জোঙা অস্ত্ৰৰ দ্বাৰা কৰা এটা ছিদ্ৰযুক্ত আঘাত আৰু এটা ভোটা অস্ত্ৰৰে কৰা দুটা কটা আঘাত প্ৰত্যক্ষ কৰিছিল। মোকৰ্দমাটোৰ তদন্ত সমাপ্ত কৰাৰ পাছত আৰক্ষীয়ে অভিযোগ-নামা দাখিল কৰে যিটোৰ দ্বাৰা আদালতত বতৰ্মানৰ অভিযোজন চলোৱা হয়। বিজ্ঞ ন্যায়াধীশে মহম্মদ মিছিৰ আলী, মনিৰুদ্দিন, য়াদ আলী সৰকাৰ আৰু জব্বৰ আলীৰ বিৰুদ্ধে আব্দুল চুব্বানক এক চোকা মাৰাত্মক অস্ত্ৰ যাঠীৰে ইচ্ছাকৃতভাৱে গুৰুতৰভাৱে আঘাত কৰাৰ বাবে দণ্ড বিধি, ১৮৬০-ৰ ৩২৬ নং ধাৰাৰ অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে charge frame কৰে। মোকৰ্দমাটোৰ দ্বিতীয়টো charge

.................................................

.................................

আঠগৰাকী আচামী উত্তৰদাতাৰ আটাইকেইগৰাকীয়ে মাৰাত্মক অস্ত্ৰেৰে সজ্জিত হৈ ৰায়টিং (কটাকটি/মৰামৰি) কৰাৰ বাবে তেওঁলোকৰ বিৰুদ্ধে frame কৰা হৈছে, যিটো দণ্ড বিধি, ১৮৬০-ৰ ১৪৮ নং ধাৰাৰ অধীনত এক শাস্তিযোগ্য অপৰাধ। তৃতীয়টো charge আচামী উত্তৰদাতা চালিমুদ্দিন, আব্বাছ আলি, আমজাদ আৰু আমচাৰৰ বিৰুদ্ধে frame কৰা হৈছিল কাৰণ তেওঁলোক অবৈধ সমাৱেশৰ সদস্য আছিল যিটো দণ্ড বিধি, ১৮৬০-ৰ ৩২৬ নং ধাৰাৰ লগতে ১৪৯ নং ধাৰাৰ অধীনত এক শাস্তিযোগ্য অপৰাধ।

**৩)** বিচাৰত বিজ্ঞ ন্যায়াধীশে এক চমু আৰু অতি নৈমিত্তিক ৰায়দানত আচামীসকলক তেওঁলোকৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ ক্ষেত্ৰত দোষমুক্ত বুলি ঘোষণা কৰে আৰু তেওঁলোকক খালাচ দিয়ে। সেয়েহে চৰকাৰৰ বৰ্তমানৰ এই আপীল উত্থাপন কৰা হৈছে।

**৪)** বিজ্ঞ দণ্ডাধীশৰ ৰায়দান পুঙ্খানুপুঙ্খভাৱে নিৰীক্ষণ কৰিলে দেখা যায় যে ইয়াক আইনৰ দৃষ্টিত কোনোপ্ৰকাৰেই ৰায়দান বুলি অভিহিত কৰিব নোৱাৰি আৰু ই নিশ্চিতভাৱে ফৌজদাৰী কাৰ্য্যবিধিৰ ৩৬৭ নং ধাৰাৰ আক্ষৰিক বা অন্তৰ্নিহিত অৰ্থৰ সৈতে সামঞ্জস্যপূৰ্ণ নহয়। ৰায়দানত আমি কাৰ্যতঃ অভিযোজন পক্ষৰ সাক্ষ্যৰ কোনো আলোচনাই প্ৰত্যক্ষ কৰা নাই। যদিও গোচৰটোৰ ক্ষেত্ৰত নিৰ্ণয়ৰ এক দৃষ্টিকোণ উপস্থাপন কৰা হৈছিল, তথাপিও মোকৰ্দমাটোৰ কোনো ভাল আৰু বেয়া দিশসমূহৰ কোনো বোধশক্তিসম্পন্ন আলোচনা আৰু সাক্ষ্যৰ বিবেচনা কৰা নহ'ল আৰু অভিযোগ তথা অভিযুক্ত ব্যক্তিসকল সম্পৰ্কীয় সাক্ষ্যৰ বিবেচনা কৰা নহ'ল। ৰায়দানৰ পৰা এয়া প্ৰতীয়মান নহ'ল যে বিজ্ঞ ন্যায়াধীশে সাক্ষ্য নাকচ কৰাৰ সিদ্ধান্ত লোৱাৰ আগতে সাক্ষ্যসমূহ সযতনে পৰ্য্যালোচনা

কৰিছিল অথবা সেইসমূহ ন্যায়িকভাৱে বিচাৰ-বিবেচনা কৰিছিল। একেবাৰে চমুকৈ ক'ব গলে ৰায়দানটো অস্পষ্ট, দ্রুতসম্পাদিত আৰু অসতর্কভাৱে প্রস্তুত কৰা এক নথি। আমাৰ মত অনুসৰি বিজ্ঞ দণ্ডাধীশে মোকৰ্দমাটোৰ নিষ্পত্তিত আচামী ব্যক্তিসকলৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহ সেই সাক্ষ্যসমূহে প্রতিষ্ঠা কৰিবলৈ সক্ষম হৈছে নে নাই হোৱা সেয়া নির্ণয় কৰিবলৈ মোকৰ্দমাটোত উত্থাপিত সাক্ষ্যসমূহৰ ন্যায়িক বিবেচনা আৰু সেই সাক্ষ্যসমূহৰ ক্ষেত্রত নিজস্ব চিন্তা প্রয়োগ কৰা আৰু অভিযোগসমূহৰ সন্দর্ভত তাৰ বিবেচনা কৰাত ব্যর্থ হৈছে। আমি এইটোও লক্ষ্য কৰিছো যে বিজ্ঞ ন্যায়াধীশে আপাত দৃষ্টিত এই ধাৰণাৰে আগবাঢ়িছিল যে অন্য কোনো ৰায়টিং-ৰ মোকৰ্দমাৰ দৰেই এই মোকৰ্দমাটোত-ও আচামী ব্যক্তিসকলৰ চিনাক্তকৰণ যুক্তিসংগত সন্দেহৰ উৰ্ধত কৰিব পৰা নগ'ল।

**৫)** এই ৰায়দানৰ দুর্ভাগ্যজনক পৰিস্থিতিৰ প্রতি লক্ষ্য ৰাখি আমাৰ বাবে সাক্ষ্যসমূহ পৰীক্ষা কৰি ইয়াৰ ওপৰত আমাৰ পুঙ্খানুপুঙ্খ বিবেচনা প্রদান কৰাটো প্রয়োজনীয়। সেই অনুসৰি বিজ্ঞ চৰকাৰী অধিবক্তা আৰু উত্তৰদাতাসকলৰ অধিবক্তা শ্ৰীযুত তালুকদাৰে আমাৰ সন্মুখত সাক্ষ্যসমূহ সযতনে উপস্থাপন কৰিছিল আৰু ইয়াৰ বস্তুগত দিশসমূহৰ প্রতি আমাৰ মনোযোগ আকর্ষণ কৰিছিল। (ইয়াৰ পাছত ৰায়দানটোৱে অভিযোজন পক্ষৰ সাক্ষ্যসমূহ ৭ নং দফাত আলোচনা কৰে আৰু এইদৰে আলোচনা আগবাঢ়ে)।

**৬)** ওপৰত উল্লেখ কৰা মৰ্মে দেখা যায় যে আঠজন আচামী ব্যক্তিৰ আটাইকেওজনকে ঘটনাটো সংঘটিত হোৱাৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা বুলি চিনাক্ত কৰা হৈছিল, তেওঁলোকে বিভিন্ন ভয়ংকৰ অস্ত্ৰৰে সজ্জিত হৈ একে দিশৰে পৰা প্ৰায় একেলগেই সেই ঠাইলৈ আহিছিল আৰু

তেওঁলোকে ১-ৰ পৰা ৩-লৈ অভিযোজন পক্ষৰ আটাইকেইজন সাক্ষীকে আক্ৰমণ কৰি গুৰুতৰ আঘাত কৰিছিল।

**৭)** আচামীসকলে তেওঁলোকক সোধ-পোচ কৰোতে একত্ৰিতভাৱে তেওঁলোক প্ৰতিজনেই নিৰ্দোষী বুলি দৃঢ়ভাৱে কোৱাৰ বাহিৰে অন্য কোনো জৱানবন্দী প্ৰদান কৰা নাছিল। বিজ্ঞ দণ্ডাধীশৰ প্ৰশ্নসমূহৰ কোনো নিৰ্দিষ্ট উত্তৰ দিয়া হোৱা নাছিল, প্ৰতিটো ক্ষেত্ৰত একমাত্ৰ উত্তৰ আছিল 'দোষী নহয়'। গতিকে, তেওঁলোকৰ জৱানবন্দীৰ পৰা এই কথা প্ৰতীয়মান নহয় যে তেওঁলোক কিয় দোষী নহয় - ইয়াৰ কাৰণ এয়া নেকি যে তেওঁলোকে ঘটনাস্থলীত উপস্থিত নাছিল আৰু ঘটনাত অংশগ্ৰহণ কৰা নাছিল বা তেওঁলোক নিৰ্দোষী হোৱাৰ কাৰণ এয়া নেকি যে তেওঁলোকে আত্মৰক্ষাৰ অধিকাৰ সাব্যস্ত কৰি এই কাৰ্য সম্পন্ন কৰিছিল। এই কথা স্পষ্ট যে এই মোকৰ্দমাত আচামীয়ে প্ৰতিৰক্ষাৰ বাবে কোনো নিৰ্দিষ্ট সাক্ষ্য প্ৰদান কৰা নাই। তেওঁলোকৰ জৱানবন্দী মোকৰ্দমাটোৰ প্ৰথমভাগত আগবঢ়োৱা আবেদনতকৈ বেলেগ নহয়। আচামীৰ বিজ্ঞ অধিবক্তাই আঙুলিয়াই দিয়াৰ দৰে এই কথা সত্য যে সেই স্তৰত আচামীৰ মনত কি চলি থাকিব পাৰে সেয়া অভিযোজন পক্ষৰ সাক্ষীসকলক অস্পষ্টকৈ ইংগিত দি দুই-এক উক্তি প্ৰদান কৰা হৈছিল। উদাহৰণস্বৰূপে, অভিযোজন পক্ষৰ ১ নং সাক্ষীক জেৰাত প্ৰশ্ন কৰা হৈছিল আৰু তেওঁ নিম্নলিখিত উত্তৰসমূহ প্ৰদান কৰিছিলঃ

> "সেইদিনা মনিৰুদ্দিনে আমাৰ বিৰুদ্ধে আক্ৰমণৰ এটা ভুৱা মোকৰ্দমা তৰিছিল (মই, চুভান আৰু বছিৰ, মছলেম আৰু ইদ্ৰিছ)। এই কথা সত্য নহয় যে মনিৰুদ্দিনে আমাক প্ৰথমে আক্ৰমণ কৰিছিল আৰু তাৰপাছত অন্য কোনোবাই অন্য ঠাইত আমাক আক্ৰমণ কৰিছিল।"

**৮)** অভিযোজন পক্ষৰ ৩ নং সাক্ষীক প্ৰশ্ন কৰাত নিম্নলিখিত উত্তৰসমূহ প্ৰদান কৰিছিলঃ

"এই কথা সত্য নহয় যে সেইদিনা গধূলি কোনো ঘটনা সংঘটিত হোৱা নাছিল। মই এই কথা ক'ব নোৱাৰিম যে আচামী মনিৰুদ্দিনে সেই তাৰিখত আঘাতপ্ৰাপ্ত হৈছিল।"

**৯)** আচামীয়ে প্ৰদান কৰা নিৰ্দিষ্ট যিকোনো জৱানবন্দী আৰু প্ৰতিপক্ষৰ যিকোনো সাক্ষ্যৰ দ্বাৰা সমৰ্থিত নোহোৱা উক্তিসমূহৰ কোনো প্ৰামাণিক মূল্য নাথাকিব। এই মোকৰ্দমাত অভিযোজন পক্ষ ১ নং আৰু ৩ নং সাক্ষীৰ জেৰাত প্ৰদান কৰা উক্তিসমূহতো কোনো গুৰুত্ব প্ৰদান কৰিব পৰা নগ'ল। যিহেতু যিকোনো মোকৰ্দমাতে আচামী ব্যক্তিক দোষী সাব্যস্ত কৰাৰ ভাৰ অভিযোজন পক্ষৰ ওপৰতে পৰে, সেয়েহে আচামী ব্যক্তিসকলৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা হৈছিল নেকি, সেই প্ৰশ্নটো মোকৰ্দমাটোত উত্থাপন কৰা অভিযোজন পক্ষৰ সাক্ষ্যৰ ভিত্তিত নিৰ্ণয় কৰিব লাগিব।

**১০)** অভিযোজন পক্ষৰ সাক্ষ্যসমূহ পুঙ্খানুপুঙ্খভাৱে বিবেচনাৰ অন্তত আমি পতিয়ন গৈছো যে আঠগৰাকী আচামীৰ আটাইকেইজনেই ঘটনাস্থলীত উপস্থিত আছিল আৰু সেই সময়ত অভিযোজন পক্ষ ১ নং-ৰ পৰা ৩ নং সাক্ষীক আক্ৰমণ কৰাত তেওঁলোকে অংশগ্ৰহণ কৰিছিল। আমি এই বিষয়েও পতিয়ন গৈছো যে তেওঁলোক লাঠি, দা, যাঠী আদি বিভিন্ন ভয়ংকৰ অস্ত্ৰৰে সজ্জিত হৈ আছিল, যাৰ প্ৰত্যেকটোৱেই আক্ৰমণৰ অস্ত্ৰ হিচাপে প্ৰয়োগ কৰিলে গুৰুতৰ আঘাত কৰিবলৈ সক্ষম।

**১১)** আমি এই বিষয়েও পতিয়ন গৈছো যে ১ নং আচামী, ২ নং আচামী, ৩ নং আচামী আৰু ৭ নং আচামী-এ অভিযোজন পক্ষৰ ২ নং সাক্ষী চুভানক গুৰুতৰ আঘাত কৰিছিল আৰু বাকী আচামীসকলে ওপৰত

উল্লিখিত চাৰিজন ব্যক্তিৰ সৈতে এক ‘ৰায়টাছ’ (মাৰণময়) সমাৱেশ গঠন কৰি অভিযোজন পক্ষৰ সাক্ষীসকলক, বিশেষকৈ অভিযোজন পক্ষৰ ২ নং সাক্ষীক – যাৰ বিৰুদ্ধে তেওঁলোকৰ তীব্ৰ আক্ৰোশ থকাৰ কাৰণ আছিল – গুৰুতৰভাৱে আঘাত কৰাৰ উমৈহতীয়া উদ্দেশ্য আৰু লক্ষ্য আছিল।

**১২)** অভিযোজন পক্ষৰ ২ নং সাক্ষী চুভানক গুৰুতৰভাৱে আঘাত কৰা ১, ২, ৩ আৰু ৭ নং আচামীক দণ্ড বিধি, ১৮৬০–ৰ ৩২৬ নং ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰিব পাৰি নে নোৱাৰি, সেই প্ৰশ্নটোৰ প্ৰসংগত আমি অনুভৱ কৰো যে মোকৰ্দমাটোত প্ৰদান কৰা সাক্ষ্যসমূহে এই ব্যক্তিসকলৰ এজন বা অন্যসকলে অভিযোজন পক্ষৰ ২ নং সাক্ষীৰ ওপৰত কৰা আঘাত দণ্ড বিধি, ১৮৬০–ৰ ৩২০ নং ধাৰাৰ অৰ্থ অনুসৰি গুৰুতৰ প্ৰকৃতিৰ বুলি গ্ৰহণ কৰিব পাৰি বুলি যথাযথ সন্দেহৰ উৰ্ধত প্ৰতিষ্ঠা কৰিব নোৱাৰিলে। এয়া সত্য যে স্বাস্থ্য বিষয়াগৰাকীয়ে অভিযোজন পক্ষৰ ২ নং সাক্ষীৰ শৰীৰত থকা ছিদ্ৰযুক্ত আঘাতৰ ভিতৰত দুটাক গুৰুতৰ বুলি বৰ্ণনা কৰিছে, কিন্তু আচামীৰ অধিবক্তা শ্ৰীযুত তালুকদাৰে দাবী কৰা অনুসৰি, এই সিদ্ধান্তটো আমাৰ ওপৰত নিৰ্ভৰ কৰিব যে এই মোকৰ্দমাটোত আমি স্বাস্থ্য বিষয়াৰ মতামত বিবেচনাযোগ্য বুলি গ্ৰহণ কৰিম নে নকৰো। আপাত দৃষ্টিত অভিযোজন পক্ষই এই মোকৰ্দমাটো দণ্ড বিধি, ১৮৬০–ৰ ৩২৬ নং ধাৰাৰ অষ্টম বৰ্গ – অৰ্থাৎ কোনো আঘাত যিয়ে জীৱনলৈ ভাবুকি আনে – তাৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচাৰে। যদিও বুকুত যথেষ্ট গভীৰভাৱে যাঠীৰে হানিলে মাৰাত্মক আঘাত হোৱাৰ সম্ভাৱনা থাকে, কিন্তু আমি আঘাতটোৰ প্ৰকৃতি – অৰ্থাৎ হনা কাৰ্যই যে ছিদ্ৰযুক্ত আঘাতৰ সৃষ্টি কৰিছিল যিটো কেৱল প্লিউৰেল কেভিটীলৈহে বিস্তাৰিত হৈছিল আৰু

প্লিউৰা বা হাঁওফাঁও বা শৰীৰৰ অন্য কোনো জীৱনসাধক অংগত আঘাতৰ সৃষ্টি কৰা নাছিল –

..........................................................

.................................

পৃষ্ঠা ২৫৮

সেইয়া বিবেচনা কৰি চালে এক সন্দেহৰ সৃষ্টি হ'ব যে প্ৰশ্নৰ আৱৰ্তত থকা আঘাতটো সেই শ্ৰেণীৰ হয় নে নহয় যিটোৱে জীৱনলৈ ভাবুকি আনিব পাৰে। এতেকে আমি অনুভৱ কৰো যে প্ৰযোজ্য হবলগীয়া সঠিক ধাৰাটো হব দণ্ড বিধি, ১৮৬০–ৰ ৩২৪ নং ধাৰা, অৰ্থাৎ ইচ্ছাকৃতভাৱে ভয়ংকৰ অস্ত্ৰেৰে আঘাত কৰা। আমি সেই অনুসৰি ১ নং আচামী মিছিৰ আলী, ২ নং আচামী মনিৰুদ্দিন, ৩ নং আচামী য়াদ আলী সৰকাৰ আৰু ৭ নং আচামী আব্দুল জব্বৰ ওৰফে জব্বৰ আলীক প্ৰথম অভিযোগত দণ্ড বিধি, ১৮৬০–ৰ ৩২৪ নং ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰি তেওঁলোকৰ প্ৰত্যেককে তিনি বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিম।

**১৩)** আমি মোকৰ্দমাটোত উত্থাপিত সাক্ষ্যসমূহৰ ভিত্তিত পতিয়ন গৈছো যে আটাইকেইজন আচামীয়ে মৰামৰিৰ সময়ত মাৰাত্মক অস্ত্ৰেৰে সজ্জিত হৈ আছিল আৰু সেই অনুসৰি তেওঁলোকে দ্বিতীয় অভিযোগটোৰ ক্ষেত্ৰতো দণ্ড বিধি, ১৮৬০–ৰ ১৪৮ নং ধাৰাৰ অধীনত মাৰাত্মক অস্ত্ৰেৰে ৰায়টিং (কটাকটি/মৰামৰি) কৰাৰ বাবে দোষী আৰু আমি সেই অনুসৰি আমি তেওঁলোকৰ প্ৰত্যেকজনকে মোকৰ্দমাটোৰ বাবে অপৰাধী সাব্যস্ত কৰিম আৰু তেওঁলোকৰ প্ৰত্যেকজনকে দুই বছৰৰ বাবে সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিম।

**১৪)** ৪ নং আচামী আব্বাছ আলী, ৫ নং আচামী আমজাদ আলী, ৬ নং আচামী আমচাৰ আলী, আৰু ৮ নং আচামী চালিমুদ্দিনৰ বিৰুদ্ধে উত্থাপিত তৃতীয় অভিযোগটোত আমি তেওঁলোকক দণ্ড বিধি, ১৮৬০-ৰ ১৪৯ নং ধাৰাৰ লগতে ৩২৪ নং ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰো আৰু সেই অনুসৰি তেওঁলোকৰ প্ৰত্যেকজনকে দুই বছৰৰ বাবে সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিম। প্ৰতিটো ধাৰাত সংঘটিত কৰা অপৰাধৰ বাবে শাস্তি সমান্তৰালভাৱে চলিব।

**১৫)** আমি এই ৰায়দান সমাপ্ত কৰাৰ আগতে এই কথা উনুকিয়াই দিয়াটো প্ৰয়োজনীয় যে নিম্ন আদালতত এতিয়াও এক দুৰ্ভাগ্যজনক প্ৰথা চলি আছে য'ত তদন্তকালত অভিযোজন পক্ষৰ সাক্ষীয়ে আৰক্ষীক প্ৰদান কৰা জৱানবন্দীৰ বাদপৰণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়। আইন অনুসৰি কোনো এক বাদপৰণক এক বৈসাদৃশ্য বুলি গ্ৰহণ বা প্ৰমাণ কৰিব পৰা নাযায়, ইয়াৰ প্ৰথম কাৰণ হৈছে বাদপৰণৰ ক্ষেত্ৰত কোনো বৈপৰীত্যমূলক বক্তব্য নাথাকে, কাৰণ বাদপৰণে বক্তব্যৰ অনুপস্থিতিক বুজায়, আৰু দ্বিতীয় কাৰণ হৈছে ফৌজদাৰী কাৰ্য্যবিধিৰ ১৬২ নং ধাৰাই আৰক্ষীক প্ৰদান কৰা জৱানবন্দীৰ আদালতত সীমিত ব্যৱহাৰৰ অনুমতি দিয়ে, আৰু যিখিনি ব্যৱহাৰৰ অনুমতি প্ৰদান কৰা হয়, সেয়া সেই জৱানবন্দীৰ এনে এটা অংশ হয় যিটোত আদালতত প্ৰাদান কৰা সাক্ষ্যৰ লগত বৈসাদৃশ্য পোৱা যায়। সেইবাবে ফৌজদাৰী কাৰ্য্যবিধিৰ ১৬২ নং ধাৰাই সীমিত উদ্দেশ্যৰ বাবে কেৱল তদন্তকালত আৰক্ষী বিষয়াসকলৰ আগত প্ৰদান কৰা জৱানবন্দী ব্যৱহাৰৰহে অনুমতি প্ৰদান কৰে, আৰু তদন্তকালত আৰক্ষীৰ আগত প্ৰদান নকৰা জৱানবন্দী ব্যৱহাৰৰ অনুমতি নিদিয়ে। আকৌ কোনো বাদপৰণ এক বৈসাদৃশ্য বুলি প্ৰমাণ কৰিব নোৱাৰি, কাৰণ সাক্ষ্য

আইনৰ বৈসাদৃশ্য প্ৰমাণ কৰাৰ প্ৰক্ৰিয়াৰ সৈতে জড়িত ১৪৫ নং ধাৰাটো লিখিত জৱানবন্দীৰ সৈতে জড়িত, আৰু তাত সাক্ষীসমূহক আৰু এই বিষয়ে সোধ-পোচ কৰা সাক্ষীসমূহক বৈসাদৃশ্যৰ বিষয়ে অৱগত কৰিবলৈ সেই লিখনীৰ অংশখিনিৰ প্ৰয়োজন। এই কাৰণৰ বাবে ভাৰতীয় সাক্ষ্য আইনৰ ১৪৫ নং ধাৰাৰ অধীনত বৈসাদৃশ্যৰ বাবে এক পূৰ্বৱৰ্তী জৱানবন্দীৰ এক বাদপৰণক ব্যৱহাৰ কৰিব নোৱাৰি। গতিকে ফৌজদাৰী কাৰ্য্যবিধিৰ ১৬২ নং ধাৰাৰ অধীনত আৰক্ষীৰ জৱানবন্দীত বিচাৰি নোপোৱা কথা সেই ধাৰাৰ অধীনত ব্যৱহাৰ কৰিব নোৱাৰি, নাইবা একেটাকেই সাক্ষ্য আইনৰ ১৪৫ নং ধাৰাৰ অধীনত প্ৰমাণ কৰিব নোৱাৰি।

**১৬)** অৱশ্যে আমাক এইদৰে বক্তব্য প্ৰদান কৰা হিচাপে বুজা উচিত নহয় যে কোনো মোকৰ্দমাতে আৰক্ষীৰ জৱানবন্দীৰ গুৰুতৰ আৰু দৃষ্টিকটু বাদপৰণৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি। ই তেনে বৈসাদৃশ্য হিচাপে গ্ৰহণশীল নহ'বও পাৰে, কিন্তু ইয়াক প্ৰাসংগিক পৰিস্থিতি হিচাপে গ্ৰহণ কৰিব পাৰি। এক উদাহৰণ দিবলৈ গ'লে, শপত লোৱা সাক্ষী এগৰাকীয়ে যদি হত্যাৰ বিচাৰ চলি থকা আদালতৰ সন্মুখত কৈছিল যে ক, খ, আৰু গ-এ আক্ৰমণ কৰি মৃতগৰাকীৰ মৃত্যু সংঘটিত কৰিলে, আৰু তেওঁ আৰক্ষীৰ সন্মুখত কেৱল কৈছিল যে ক আৰু খ-এ প্ৰাণঘাতী আক্ৰমণ কৰিছে, তেন্তে সেই পৰিস্থিতিক সাক্ষ্য আইনৰ ১৪৫ নং ধাৰাৰ অধীনলৈ বৈসাদৃশ্য হিচাপে গ্ৰহণ কৰাৰ পৰিৱৰ্তে বৈসাদৃশ্যৰ সৈতে কিছু পৰিমাণে মিল থকা কোনো বস্তু হিচাপে গ্ৰহণ কৰিব লাগে, য'ত, এক অন্য পৰিপ্ৰেক্ষিতত, অভিযোজন পক্ষৰ সাক্ষীয়ে অভিযোজন পক্ষৰ মোকৰ্দমাৰ অধিক উন্নতিসাধন কৰাৰ এক পদক্ষেপ প্ৰকট কৰে, যাৰ দ্বাৰা

অভিযোজন পক্ষ তথা সাক্ষীৰ সততাও তেওঁ 'গ'–ক মোকৰ্দমাটোত সাঙুৰি লোৱাৰ সন্দৰ্ভত আদালতৰ সন্দেহৰ আৱৰ্তত আহে।

**১৭)** আমি এই কথাও দুখেৰে উল্লেখ কৰো যে তদন্তকালত আৰক্ষীৰ আগত অভিযোজন পক্ষৰ সাক্ষীসকলে প্ৰদান কৰা জৱানবন্দীত প্ৰতীয়মান হোৱা বৈসাদৃশ্যসমূহ প্ৰমাণ কৰাৰ বাবে পালন কৰিবলগীয়া প্ৰক্ৰিয়াসমূহো নিম্ন আদালতসমূহে তথা ফৌজদাৰী গোচৰৰ অধিবক্তাসকলে পালন কৰা নাই।

**১৮)** আমাৰ ওচৰত সঠিক প্ৰক্ৰিয়াটো এবাৰতকৈও বেছিকৈ উনুকিয়াই দিয়াৰ অৱকাশ আছিল আৰু ইয়াক পুনৰাৰম্ভ কৰাটো উচিত হ'ব। যদি কোনো আচামীৰ তেওঁ তদন্তকালত আৰক্ষীৰ আগত প্ৰদান কৰা জৱানবন্দীৰ জৰিয়তে অভিযোজন পক্ষৰ সাক্ষীয়ে মোকৰ্দমাত প্ৰদান কৰা সাক্ষ্যৰ লগত বৈসাদৃশ্য স্থাপন কৰাৰ অভিপ্ৰায় থাকে, তেন্তে সঠিক পদক্ষেপটো হব আৰক্ষীৰ আগত সাক্ষীগৰাকীয়ে প্ৰদান কৰা পৰস্পৰ বিৰোধী জৱানবন্দীৰ অংশটোলৈ তেওঁৰ মনোযোগ আকৰ্ষণ কৰা, আৰু তেওঁক সোধ–পোচ কৰা যে তেওঁ সঁচাকৈয়ে আৰক্ষীৰ আগত তেনে জৱানবন্দী প্ৰদান কৰিছিল নে নাই কৰা। যদিহে সাক্ষীয়ে সেই নিৰ্দিষ্ট জৱানবন্দীটো আৰক্ষীৰ আগত প্ৰদান কৰা বুলি স্বীকাৰ কৰে, তেনেহলে সেই স্বীকাৰুক্তি সাক্ষ্যৰ অন্তৰ্ভুক্ত হ'ব আৰু সাক্ষীৰ সাক্ষ্য হিচাপে লিপিবদ্ধ হ'ব আৰু আচামীয়ে এই সাক্ষ্য বৈসাদৃশ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে ব্যৱহাৰ কৰিব পাৰে। আনহাতে যদিহে সাক্ষীয়ে তেনে জৱানবন্দী আৰক্ষীৰ আগত প্ৰদান কৰা বুলি অস্বীকাৰ কৰে, তেন্তে জৱানবন্দীৰ সেই নিৰ্দিষ্ট অংশটো ফৌজদাৰী কাৰ্য্যবিধিৰ ১৬২ নং ধাৰাৰ আধাৰত চিনাক্তকৰণৰ বাবে সাময়িকভাৱে চিহ্নিত কৰিব লাগে, আৰু যেতিয়া প্ৰশ্নৰ আৱৰ্তলৈ অহা

জৱানবন্দীটো আচলকৈ লিপিবদ্ধ কৰা তদন্তকাৰী বিষয়াগৰাকী কাঠগৰালৈ আহিব, তেতিয়া তেওঁক সোধ-পোচ কৰা হ'ব যে তদন্তকালত তেওঁক সেই নিৰ্দিষ্ট জৱানবন্দীটো নিৰ্দিষ্ট সাক্ষীগৰাকীৰ দ্বাৰা প্ৰদান কৰা হৈছিল নে নাই হোৱা, আৰু নিশ্চিতভাৱে আৰক্ষী গোচৰ পঞ্জীৰ পৰা তেওঁৰ স্মৃতি সজীৱ কৰি তোলাৰ পাছত তদন্তকাৰী বিষয়াগৰাকীয়ে সমৰ্থনসূচক উত্তৰেই দিব। তদন্তকাৰী বিষয়াগৰাকীৰ উত্তৰটোৱে জৱানবন্দীটো প্ৰমাণ কৰিব যিটো তাৰপাছত মোকৰ্দমাটোত দাখিল কৰা হ'ব আৰু সাক্ষ্যৰ অন্তৰ্ভুক্ত হ'ব, আৰু তাৰ পাছত আচামীয়ে সেই সাক্ষ্য বৈসাদৃশ্য হিচাপে প্ৰতিষ্ঠা কৰিবলৈ ব্যৱহাৰ কৰিব পাৰে। এই সঠিক প্ৰক্ৰিয়াটোৱেই পালন কৰা উচিত, যিটো সাক্ষ্য আইনৰ ১৪৫ নং ধাৰাৰ সৈতে সামঞ্জস্যপূৰ্ণ।

**১৯)** পৰিণামস্বৰূপে, ওপৰত উল্লেখ কৰা অনুসৰি এই আবেদনখন গ্ৰাহ্য কৰা হ'ল।

EG/S/D.V.C.

**২০)** আবেদন মঞ্জুৰ কৰা হ'ল।

..................................................

..............................

অনুবাদকঃ- ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

পৰীক্ষকঃ- মৃণাল কুমাৰ ভট্টাচাৰ্য, জ্যেষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to

understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

("স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ'ব।")

...................................